# 'ময়লা আঁচল' উপন্যাসৰ কাহিনী

উপন্যাসৰ মূল সম্পদ হ'ল কাহিনী। জীৱনৰ উপলব্ধ সত্য কাহিনীৰ মাধ্যমেদি প্ৰকাশ পায়, বিকাশপ্ৰাপ্ত হয় আৰু এটা সময়ত কাহিনীয়ে বিভিন্ন কাৰ্য-ক্ৰমণিকাৰ মাজেৰে পৰিণতি লাভ কৰে। বাস্তৱ জীৱনৰ লগত সাদৃশ্য থকা কাহিনীয়ে উপন্যাস এখনক অনন্য ৰূপ প্ৰদান কৰে। বাস্তৱ জীৱনবোধৰ আধাৰত উপন্যাসৰ কাহিনী নিৰ্মিত হয় বাবে উপন্যাসত কাহিনীৰ গুৰুত্ব কোনো ব্যক্তিয়ে অস্বীকাৰ কৰিব নোৱাৰে। আচলতে উপন্যাসৰ কাহিনীটো কিছুমান বৈচিত্ৰ্যপূৰ্ণ ঘটনাৰ সমষ্টিহে আৰু সেয়েহে যিমান শিল্পসুলভ গাঁথনিৰে কাহিনীটো প্ৰস্তুত কৰিব পৰা যায় সিমানেই উপন্যাসৰ মূল্য তথা জনপ্ৰিয়তা বাঢ়ে।

ফণীশ্বৰনাথ ৰেণুৰ 'ময়লা আঁচল' উপন্যাসখন এখন পিছপৰা গাঁৱক প্ৰতীক হিচাপে লৈ বাস্তৱতাৰ বৈজ্ঞানিক পৰিৱেশনত গুৰুত্ব দি ৰচনা কৰা এখন অনুপম আঞ্চলিক উপন্যাস। 'ময়লা আঁচল'ৰ কাহিনীভাগ অতি বিস্তৃত, কিন্তু কাহিনীভাগ সু-সংগঠিত নহয়। 'ময়লা আঁচল'ৰ কাহিনীভাগৰ মূলতে আছে বিহাৰৰ পূৰ্ণিয়া জিলাৰ মেৰীগঞ্জ নামৰ একেবাৰে পিছপৰা গাঁওখন আৰু সময় প্ৰায় তিনি বছৰৰ, অৰ্থাৎ ১৯৪৫ অৰ মধ্যভাগৰপৰা ১৯৪৮ চনৰ মধ্যভাগলৈ। এই সময়ছোৱাৰ ৰাজনৈতিক প্ৰেক্ষাপট, ঔপনিৱেশবাদী শোষণৰ প্ৰতীকী ৰূপ, সামাজিক অস্থিৰতা, আৰ্থিক বিপন্নতা, নিৰক্ষৰতা, বৌদ্ধিক জ্ঞানহীনতা আদিকৰি একেবাৰে পিছপৰা গ্ৰাম্যাঞ্চলৰ প্ৰতিটো দিশৰ ওপৰত দৃষ্টি নিবদ্ধ কৰি বাস্তৱসন্মতভাৱে 'ময়লা আঁচল'ৰ কাহিনীভাগ ৰচনা কৰা হৈছে।

নীলখেতিৰ মালিক ডব্লিউ.জি.মাৰ্টিন নামৰ বৃটিছ চাহাবজনে প্ৰিয়তমা পত্নী মেৰীৰ নামেৰে নামকৰণ কৰা মেৰীগঞ্জ গাঁওখনলৈ তেওঁৰ পত্নীক অনাৰ এসপ্তাহমানৰ পিছতে চিকিৎসাৰ অভাৱত মেলেৰিয়া ৰোগত মৃত্যু হোৱাত মাৰ্টিন চাহাবে মেৰীগঞ্জৰ নিজৰ মাটিতে এখন হাস্পতাল স্থাপনৰ বাবে উঠি-পৰি লাগিল। মাৰ্টিন চাহাবে পূৰ্ণিয়ালৈ গৈ চৰকাৰী বিষয়াবৰ্গক সাক্ষাৎ কৰি হাস্পতাল স্থাপনৰ উদ্দেশ্যে যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণেৰে নিজৰ মাটিও ৰেজিষ্ট্ৰি কৰি দিলে। মেৰীৰ মৃত্যুৰ পিছত সম্পূৰ্ণৰূপে অকলশৰীয়া হৈ পৰা মাৰ্টিন চাহাবে নিজৰ একক প্ৰচেষ্টাত সফল হ'ব নোৱাৰি মানসিক



Scanned with CamScanner

Scanned with CamScanner

ভাৰসাম্য হেৰুৱাই পূৰ্ণিয়াৰ কাছাৰীত বলিয়াৰ দৰে ঘূৰি ফুৰে। এসময় তেওঁৰ বলিয়ালি বাঢ়ি যোৱাত তেওঁক কাঁকেৰ পাগলাফাটেকত থ'বলগীয়া হয় আৰু তাতেই তেওঁৰ মৃত্যু হয়।

এয়া হ'ল 'ময়লা আঁচল'ৰ কাহিনী উপস্থাপিত হোৱাৰ পয়ত্ৰিশ বছৰমান আগৰ কথা। বহু বছৰৰ মূৰত চৰকাৰে মেৰীগঞ্জত এখন চৰকাৰী মেলেৰিয়া হাস্পতাল স্থাপনৰ সিদ্ধান্ত ল'লে আৰু সেই সিদ্ধান্ত অনুযায়ী জিলা-সদৰৰপৰা প্ৰফুল্ল বেনাৰ্জী আৰু কেৰাণী জিতেন বাবু আহি মেৰীগঞ্জত উপস্থিত হয়হি। চৰকাৰী মানুহ অহা দেখি প্ৰথমতে গাঁৱৰ মানুহখিনিয়ে মিলিটেৰীয়ে কাৰোবাক গ্ৰেপ্তাৰ কৰিবলৈ অহা বুলিয়েই ভাবিছিল। পিছতহে তেওঁলোকে মূল ৰহস্যটো জানিব পাৰিলে। তহচিলদাৰ বিশ্বনাথ প্ৰসাদে চৰকাৰী নিৰ্দেশানুযায়ী মাটিৰ হিচাপ উলিয়াই দিয়ে। ইতিমধ্যে কায়স্থ টোলীৰ বিশ্বনাথ প্ৰসাদ আৰু ততমা টোলীৰ বিৰিঞ্চিক মিলিটেৰীয়ে ধৰি নিয়া বুলি খবৰ বিয়পি পৰাত যাদৱ টোলীৰ মানুহে মিলিটেৰী কেধ্ৰলৈ বুলি বাগত লৈ অহা বালদেৱক চৰকাৰী মানুহখিনিয়ে হাস্পতাল স্থাপনৰ কামত আগভাগ লৈ সহায় কৰিবলৈ দায়িত্ব অৰ্পণ কৰে।

কিন্তু বালদেৱৰ ঘৰ আছিল মেৰীগঞ্জৰ ওচৰৰে চ্যনপট্টি নামৰ গাঁৱত। বালদেৱ গান্ধীজীৰ আচল ভক্ত আৰু দেশসেৱক। বালদেৱ ৰাজনৈতিক চেতনাসম্পন্ন ব্যক্তি আৰু তেওঁ মেৰীগঞ্জলৈ অহা হেতুকেহে ১৯৪২ চনৰ গান্ধীজীৰ অহিংসা আন্দোলনৰ বতাহে মেৰীগঞ্জকো স্পৰ্শ কৰে। সামাজিক কামৰ প্ৰতি উৎসাহ থকাৰ কাৰণেই মেলেৰিয়া হাস্পতাল-নিৰ্মাণৰ ক্ষেত্ৰত পূৰ্ণ সহযোগ আগ বঢ়ায়। কিন্তু মেৰীগঞ্জ-বাসীৰ কাৰণে বালদেৱে মেৰীগঞ্জলৈ অহা-যোৱা কথাটো সহ্য হোৱা নাছিল। অৱশেষত যেনিবা প্ৰথমতে অহা চৰকাৰী বিষয়া আৰু কেৰাণীৰ হস্তক্ষেপতে এই শুভকাৰ্যত সকলোৱে ঐক্যবদ্ধভাৱে কাম কৰিবলৈ সন্মত হয়। কিন্তু এনেতে মেৰীগঞ্জৰ কৃষকসকলৰ মাজত দুটা দলৰ সৃষ্টি হ'ল— এটা দলে মালিকক কৈ হাল-নাঙল বন্ধ কৰি পাৰিশ্ৰমিক অবিহনেই কাম কৰিবলৈ ৰাজী হ'ল আৰু আনটো দলে ৰাজী নহ'ল। ধনুকধাৰী টোলীৰ তনুকলালে এটা সমস্যাৰ কথা তুলি ধৰি ক'লে যে কৃষি-কাৰ্য বন্ধ কৰিলে যিহেতু মালিকসকলে পাৰিশ্ৰমিক নিদিয়ে সেই হেতুকে সাতদিন বিনা পাৰিশ্ৰমিকত কাম কৰিলে ডাঙৰ সমস্যাৰ সৃষ্টি হ'ব। কিন্তু যেতিয়া মেৰীগঞ্জৰ মঠৰ মহন্ত সেৱাদাসে ঘোষণা কৰি ক'লে যে হাস্পতাল-নিৰ্মাণৰ উদ্দেশ্যে গাঁওবাসীক ভোজ দিয়া হ'ব তেতিয়া সকলোৱে এসাজ ভালদৰে খাবলৈ পোৱাৰ আশাত কাম কৰিবলৈ আগবাঢ়ি আহিল। হাস্পতালৰ নিৰ্মাণ-কাৰ্য সম্পূৰ্ণ হোৱাৰ পিছত ভোজৰ



Scanned with CamScanner

Scanned with CamScanner

হেতুকে মহন্ত সেৱাদাসে আয়োজন কৰা ভোজত ৰাজপুত আৰু ব্ৰাহ্মণসকলে গোৱাল-যাদৱসকলৰ লগত একে শাৰীত বহি খাবলৈ অমান্তি হোৱাত প্ৰতিটো জাতিয়ে বেলেগ বেলেগ শাৰীত বহি খোৱাৰ ব্যৱস্থা কৰে। ভোজৰ দিনাখনেই ডাঃ প্ৰশান্ত কুমাৰ মেৰীগঞ্জলৈ আহি নিজেও ভোজত অংশগ্ৰহণ কৰিলে। ভোজৰ পিছদিনাখনেই মেৰীগঞ্জৰ মঠৰ মহন্ত সেৱাদাসৰ মত্যু হোৱাত মহন্ত পদটোক লৈ আকৌ এটা সমস্যাৰ সৃষ্টি হ'ল। মঠৰ পৰম্পৰাগত নিয়মানুযায়ী গুৰুৰ লগত থাকি যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হোৱা শিষ্যজনেহে মঠৰ মহন্ত পদ লাভ কৰিব পাৰে। ৰামদাসে সৰুৰেপৰা মহন্ত সেৱাদাসৰ লগতে আছিল যদিও নীচ মনৰ অধিকাৰী ৰামদাসে উপযুক্ত যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হোৱা নাছিল। তথাপি উপযুক্ত উত্তৰাধিকাৰীৰ অভাৱত ৰামদাসকে মঠৰ মহন্ত পদটো দিবলৈ আচাৰ্য গুৰুৱে অনুমতি দিলে। কিন্তু আচাৰ্য গুৰুৰ বাৰ্তাবাহক হিচাপে মজঃফৰপুৰৰ পুপড়ী মঠৰপৰা মেৰীগঞ্জৰ মঠলৈ অহা চৰিত্ৰহীন সাধু নৰসিংহ দাসে মঠৰ কোঠাৰিণ লছমীৰ ৰূপ-যৌৱন আৰু মঠৰ সমৃদ্ধি দেখি লোভ সামৰিব নোৱাৰি নিজেই মহন্ত পদটোৰ দাবীদাৰ হয়। নগা সাধুৱেও তেওঁক সমৰ্থন দিয়ে। লছমীয়ে ব্যৱহাৰিক বুদ্ধিৰে পঞ্চায়ত মাতি গাঁৱৰ সংস্কাৰকামী যুৱক কালীচৰণৰ হস্তক্ষেপত লম্পট নৰসিংহ দাস আৰু নগা সাধুকে ধৰি বহুকেইজন দুষ্ট সাধুক এশিকনি দি গাঁৱৰপৰা খেদি দিয়ে।

হয় আৰু বালদেৱৰ নেতৃত্বত কাম কৰিবলৈ টান পায়। কালীচৰণেহে মেৰীগঞ্জত সমাজবাদী আন্দোলনৰ গতি বৃদ্ধি কৰি দিয়ে। চহৰত থকা নেতাসকলৰ নির্দেশত বহুকষ্টৰে তেওঁ নিজৰ পাৰ্টিৰ সংগঠন দৃঢ় কৰে। পাৰ্টিৰ প্ৰতি আছিল কালীচৰণৰ একান্ত নিষ্ঠা। কিন্তু কালীচৰণক দুৰ্ভাগ্যৰ পিনে লৈ যোৱাৰ মূলতেও আছে নিজৰ পাৰ্টিৰ অৱিহণা। তেওঁ ডকাইতিৰ অভিযোগত মিছাকৈ জড়িত হৈ পৰাত জে'লতকৈ পাৰ্টিৰ বদনাম হ'ব বুলি ভয় খাই পলাই ফুৰিছিল। তেওঁ পাৰ্টিৰ জিলা-মন্ত্ৰীৰ আগত নিজৰ সম্পূৰ্ণ স্থিতি স্পষ্ট কৰিব বিচাৰিছিল যদিও জিলা মন্ত্ৰীয়ে তেওঁক লগ দিয়াটো দূৰৰেই কথা, -আনকি কালীচৰণক নিজৰ পাৰ্টিৰ মানুহ নহয় বুলিহে কৈছিল। অৱশেষত কালীচৰণৰ চ'চিয়েলিষ্ট পাৰ্টিৰ প্ৰতি আস্থা কমি যায় আৰু পুলিচৰ হাতত ধৰা দিয়ে। আনপিনে কংগ্ৰেছৰ গান্ধীবাদী নেতা বালদেৱৰ সমৰ্থকসকলৰ সৰহসংখ্যকে গান্ধীজীৰ অহিংসা নীতিৰ ওপৰত বিশ্বাস হেৰুৱাই আঁতৰি যোৱাত মেৰীগঞ্জত বালদেৱৰ প্ৰভুত্বও ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰে।

কালীচৰণ আৰু বালদেৱৰ আধিপত্য হ্ৰাস পালেও মেৰীগঞ্জত স্বাধীনতা আন্দোলনৰ ঢৌ স্তিমিত হোৱা নাছিল। বালদেৱৰ লগত জিলা কংগ্ৰেছ কমিটিৰ নিৰ্দেশত কংগ্ৰেছৰ সংগঠন মজবুত কৰিবলৈ মেৰীগঞ্জলৈ অহা বামনদাসে নিজকে স্বাধীনতা আন্দোলনৰ এজন স্বয়ংসেৱক হিচাপে নিয়োজিত কৰে। ওখই মাথোন ডেৰহাত আৰু

Scanned with CamScanner

মানুহ নাছিল। কিন্তু সেবাদাসৰ মৃত্যুৰ পিছত তেওঁৰ মুখ্য সেবক ৰামদাসেই মঠৰ মহন্ত হয় যদিও তেওঁ নীচ মনোবৃত্তিৰ মানুহ। সকলেপৰা সাধু-সঙ্গৰ লগত থকা সত্বেও স্বভাৱৰ কোনো পৰিবৰ্তন নহ'ল। তেওঁৰ মঠৰ কোঠাৰিণ লছমীৰ লগত যৌন-বাসনা চৰিতাৰ্থ কৰিবলৈ চেষ্টা কৰি লছমীৰ হাতত প্ৰহাৰিত হ'ব লগা হয়। লছমীৰ লগত নিজৰ উদ্দেশ্য পূৰণ নোহোৱাত তেওঁ ততমা টোলাৰ ফুলিয়াৰ সৰু ভনীয়েক ৰামপ্যাৰীৰ লগত সম্পৰ্ক স্থাপন কৰে। ইয়াৰ বাবে তেওঁ ফুলিয়াৰ মাকক মঠৰপৰা ইটো-সিটো বস্তু যোগান ধৰে। মহন্ত ৰামদাসৰ এনে কাৰ্যত অসন্তুষ্ট হৈ লছমীয়ে মঠ এৰিবলৈ বাধ্য হয়। লছমী গুচি যোৱাৰ পিছত তেওঁ ৰামপ্যাৰীক মঠৰ দাসী হিচাপে নিযুক্তি দি অৱশেষত ৰামপ্যাৰীৰ জালতে চিৰদিনৰ বাবে বন্দী হ'ব লগা হয়। ৰামপ্যাৰী আৰু তাইৰ মাকৰ গালিত অতিষ্ঠ হৈ ৰামদাসে গাঁজা হুপিবলৈ আৰম্ভ কৰে, দূৰ-দূৰণিৰপৰা অহা বদমাচ মানুহবোৰেও মঠত ভিৰ কৰেহি। মঠৰ অৱস্থা মীনা বজাৰৰ দৰে হয়। আনহাতে, লছমীয়ে মহন্ত সেৱাদাসৰপৰা পোৱা আমৰ বাগানতে আশ্ৰম পাতি বালদেৱৰ লগত একেলগে থাকিবলৈ লয়।

দেশে স্বাধীনতা লাভৰ ওচৰ চাপি আহিছে যদিও পুঁজিপতি আৰু জমিদাৰীসকলৰ প্ৰভুত্ব বেছি গাঢ়হে হ'ব ধৰিলে। চ'চিয়েলষ্ট পাৰ্টিৰ নেতৃত্বত যেতিয়া খেতিয়কসকল ভূমি-সংঘৰ্ষত লিপ্ত হৈ পৰে তেতিয়া কংগ্ৰেছ পাৰ্টিয়ে দফা ৪২অৰ অন্তৰ্গত ভূমিহীনক মাটিৰ মালিক কৰিব বুলি মিছা আশ্বাস দিয়ে। বালদেৱে কংগ্ৰেছৰ এই চালাকি বুজি নাপাই কংগ্ৰেছৰ খেতিয়কবিৰোধী নীতিত অজানিতে সমৰ্থন দিয়ে। তেওঁ নতুনকৈ কংগ্ৰেছী হোৱা বিশ্বনাথ প্ৰসাদৰ চালাকি কথাত পৰি চাঁওতালসকলৰ বিৰোধী হয়। বালদেৱৰ কংগ্ৰেছ পাৰ্টিৰ প্ৰতি মোহভঙ্গ তেতিয়া হয় যেতিয়া বিশ্বনাথ প্ৰসাদে মনে মনে কংগ্ৰেছৰ সদস্য হৈ কণ্ট্ৰোলৰ পাৰ্মিট্ দিয়া কাম বালদেৱৰপৰা কাঢ়ি তেওঁ নিজৰ হাতলৈ নিয়ে। তেতিয়া বালদেৱে প্ৰথম অনুভৱ কৰে যে কংগ্ৰেছ পাৰ্টি ধনী মানুহৰ পাৰ্টি।

দেশে স্বাধীনতা লাভ কৰিলে, ভাৰত বিভাজন হ'ল, মহাত্মা গান্ধীকো হত্যা কৰা হ'ল। মহাত্মা গান্ধীৰ হত্যাই গোটেই দেশখনতে তুমুল জোকাৰণিৰ সৃষ্টি কৰিলে। কিন্তু ইয়াৰ মাজতে নতুন কংগ্ৰেছী নেতাবোৰে নিজৰ স্বাৰ্থপূৰণৰ কাৰণে ব্যস্ত হৈ পৰিল। নতুন কংগ্ৰেছী নেতা দুলাৰচন্দ কাপৰা জঘন্য অপৰাধী হোৱা সত্বেও একমাত্ৰ টকাৰ জোৰত কটহা থানাৰ কংগ্ৰেছৰ চেক্ৰেটাৰী হ'বলৈ সমৰ্থ হয় আৰু দেশ স্বাধীন হোৱাৰ পিছতো তেওঁ অনৈতিক কামত জড়িত হৈ থাকে। আনকি মহাত্মা গান্ধীৰ আদ্যশ্ৰাদ্ধৰ দিনাখনো তেওঁ পঞ্চাশখন গাড়ীত কাপোৰ, চেনি আৰু চিমেণ্ট চোৰাংকৈ পাকিস্তানলৈ পঠাই দিয়ে আৰু তেওঁৰ এই কাৰ্যত বাধা দিয়া হেতুকে বামনদাসৰ করুণ মৃত্যু ঘটে।



Scanned with CamScanner

Scanned with CamScanner

অভিযোগ আনি নতুন কংগ্ৰেছী ... কৰে। কিন্তু অভিযোগ প্ৰমাণিত নোহোৱা হেতুকে তেওঁ সোনকালেই মুক্তি পায়। ডাক্তৰে জে'লত থকাৰ সময়তে অবিবাহিত কমলীয়ে সন্তানৰ মাক হয়। ডাঃ প্ৰশান্ত কুমাৰে জে'লৰপৰা ওলাই পোনে পোনেই মেৰীগঞ্জ পায়গৈ। কমলী অবিবাহিত অৱস্থাত মাক হোৱাত ডাক্তৰে নিজৰ দায়িত্ব বুজি সামাজিকভাৱে বিয়া কৰায় আৰু নিজৰ সন্তান কুমাৰ নীলোৎপলকো আনন্দৰে সাৱটি লয়। তেওঁ মেৰীগঞ্জতে পুনৰ কাম আৰম্ভ কৰি মানুহৰ মুখলৈ হাঁহি ঘূৰাই আনিব বুলি প্ৰতিজ্ঞা কৰে— "মমতা! মেঁ ফিৰ কাম শুৰু কৰুঁগা— য়হীঁ, ইসী গাঁৱ মে। মেঁ প্যাৰ কী খেতী কৰনা চাহতা হুঁ।...... মেঁ সাধনা কৰুঁগা, গ্ৰামবাসিনী ভাৰতমাতা কে মৈলে আঁচল তলে.... ।"

এনেদৰে 'ময়লা আঁচল' উপন্যাসখন ডাঃ প্ৰশান্ত কুমাৰৰ আশাবাদৰ স্পষ্ট

Scanned with CamScanner